# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 21-06-2026

**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

শক্তিপীঠ কামাখ্যা দেৱালয়ত কাইলৈৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে কাইলৈ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচী মেলা উপলক্ষে দেশ-বিদেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সাধু-সন্যাসী তথা ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটা পৰিলক্ষিত হৈছে।

গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভীৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফচিকুনতাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহেও ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে মেলাৰ চাফচিকুনতা নিশ্চিত কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

০০০

শক্তিপীঠ কামাখ্যা দেৱালয়ত কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া অম্বুবাচী মেলা উপলক্ষে মহানগৰীৰ উপ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ৰ তৰফৰ পৰা সাধাৰণ নাগৰিকৰ যাতায়াত সন্দৰ্ভত কিছু নীতি-নিৰ্দেশনা জাৰি কৰা হৈছে। ভক্তসকল, বিশেষকৈ শিশু, শিক্ষাৰ্থী, মহিলা, জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলকে ধৰি জনসাধাৰণৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশনা জাৰি কৰা হৈছে। তদুপৰি বিদ্যালয়লৈ আহ-যাহ কৰা বাহন, অগ্নিনিৰ্বাপক বাহিনীৰ লগতে এম্বুলেন্সকে ধৰি জৰুৰীকালীন বাহনসমূহৰ সুচল আহ-যাহ সুনিশ্চিত কৰাৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। কাইলৈৰ পৰা ২৬ জুনলৈকে জৰুৰীকালিন বাহনসমূহৰ বাহিৰে আন বাহনসমূহ মন্দিৰৰ পাদদেশৰ পৰা মূল মন্দিৰলৈ যোৱাত নিষেধাজ্ঞা জাৰি কৰা হৈছে। অৱশ্যে নিশা এঘাৰ বজাৰ পৰা পুৱা ৫ বজালৈ পানীৰ যোগানকে ধৰি আৱশ্যকীয় খাদ্য সামগ্ৰী বা অন্যান্য সম্ভাৰ যোগান ধৰা বাহনসমূহ মন্দিৰলৈ যাব পাৰিব।

০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত কৃষি, জলসিঞ্চন, জলসম্পদ বিভাগৰ বিষয়ববীয়াকলৰ সৈতে বাজেট প্ৰস্তুতিমূলক এখন বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যজুৰি জলসম্পদ ব্যৱস্থাপনা শক্তিশালী কৰাৰ লগতে জলসিঞ্চনৰ সুবিধা ত্বৰান্বিত কৰাৰ উপৰি কৃষি পাম সমূহৰ উৎপাদনশীলতা বৃদ্ধি কৰাৰ উদ্দেশ্যে প্ৰস্তাৱিত কেইবাটাও পদক্ষেপ পৰ্যালোচনা কৰে। এই বৈঠকত বিকশিত অসম, ২০৪৭ ৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে গ্ৰহণ কৰিবলগীয়া বিত্তীয় পথসমূহ আলোচনা কৰা হয়। তদুপৰি আন্তঃগাথনি উন্নয়নৰ লগতে বিনিয়োগ চালিত প্ৰগতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়।

০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে পৰহিলৈ পুৱা ১১ বজাত হাইস্কুল শিক্ষান্ত কম্পাৰ্টমেণ্টেল পৰীক্ষা ২০২৬ৰ ফলাফল ঘোষণা কৰিব। শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে কালি সামাজিক মাধ্যমযোগে এই কথা অৱগত কৰি

সকলো পৰীক্ষাৰ্থীলৈ শুভকামনা জ্ঞাপন কৰে। পৰিষদে জনোৱা অনুসৰি পৰীক্ষাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ চৰকাৰী ৱেবছাইটৰ পৰা কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ ফলাফলসমূহ লাভ কৰিব পাৰিব।

০০০০

খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে আজি লক্ষীপুৰ সমষ্টি পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকী  লক্ষীপুৰৰ বিন্নাকান্দি মণ্ডল বিজেপি কাৰ্যকৰ্তাসকলে আয়োজন কৰা এটা সম্বৰ্ধনা অনুষ্ঠানতো উপস্থিত থাকে। সভাত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে জনসাধাৰণে তেওঁৰ প্ৰতি দেখুওৱা আস্থা আৰু বিশ্বাসৰ বাবে ধন্যবাদ জ্ঞাপন কৰি কয় যে লক্ষীপুৰৰ লগতে সমগ্ৰ ৰাজ্যৰ সৰ্বাত্মক উন্নয়নৰ বাবে সমাগত দিনত কাম কৰি যাবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

০০০০

গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই অহা সাত দিনত ৰাজ্যৰ ঠাই বিশেষে বিজুলী-ঢেৰেকনীৰে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলী বতৰা দিছে। এই সময়ছোৱাত নামনি অসম, মধ্য অসম, উজনি অসম আৰু বৰাক উপত্যকাত বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগে বিশেষকৈ কাইলৈৰ পৰা ২৪ জুনৰ ভিতৰত কামৰূপ মহানগৰ, কামৰূপ, নলবাৰী, বৰপেটা, বঙাইগাঁও, গোৱালপাৰা, কোকৰাঝাৰ, শোণিতপুৰ, নগাঁও, যোৰহাট, গোলাঘাট, ডিব্ৰুগড়, তিনিচুকীয়া, কাছাৰ আৰু হাইলাকান্দি জিলাৰ কেতবোৰ স্থানত বিজুলী-ঢেৰেকনীৰে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি সকীয়নি দিছে।

০০০০

ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ চমুকৈ আই পি এলৰ দৰে আসমতো অনুষ্ঠিত হ'ব অসম প্ৰিমিয়াৰ লীগ চমুকৈ এ পি এল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামৰ প্ৰেক্ষাগৃহত আজি আনুষ্ঠানিকভাৱে এই লীগৰ উদ্বোধন কৰে। অহা ১ আগষ্টৰ পৰা ২৩ আগষ্টলৈকে লীগৰ খেলসমূহ অনুষ্ঠিত হ'ব। এই লীগত মুঠ আঠটা দলে অংশগ্ৰহণ কৰিব। এ পি এলত অংশগ্ৰহণ কৰা দলকেইটা হৈছে গুৱাহাটী ৰয়েলছ, যোৰহাট ষ্টেলিয়নছ, তেজপুৰ টাইটানছ, ডিব্ৰুগড় ৱাৰিয়ৰ্ছ, নগাঁও ৰেঞ্জাৰ্ছ, বৰপেটা ব্ৰেভজ, চৰাইদেউ ছানৰাইজাৰ্ছ আৰু বৰাক লিজেণ্ডছ। উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এ পি এল অসমৰ ক্ৰীড়া ইতিহাসৰ বাবে ইতিবাচক দিশ। এই লীগৰ জৰিয়তে বহু প্ৰতিভা চিনাক্ত হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০

ইংলেণ্ডত চলি থকা আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ এখন খেলত ভাৰতে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ১৫৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জিকি ভাৰতে বেটিং কৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৫৮ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই নিজৰ খেল আৰম্ভ কৰি বাতৰি যুগুতোৱাৰ পৰলৈকে ৮ অভাৰত ২টা উইকেট হেৰুৱাই ৪০ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ